# কলাত সংকল্পজিৎ, বিজ্ঞানত নিখিলেশ, বৰ্ষা-সুকন্যা বাণিজ্যৰ শীৰ্ষত



সংকল্পজিৎ শইকীয়া



নিখিলেশ দত্ত



বৰ্ষা বোথ্ৰা



সুকন্যা কুমাৰ

■ চন্দনজ্যোতি বৰা

নগাঁও, ৬ জুন ঃ 'ধনাত্মক চিন্তাৰে আগুৱাই গ'লেহে সফলতাৰ বাট বুলিব পাৰি। মনত যোগাত্মক চিন্তা থাকিলে আপোনাআপুনি সৃষ্টি হয় পঢ়াৰ অনুকূল পৰিৱেশ। পঢ়াটো একোগৰাকী বিদ্যাৰ্থীৰ ওপৰত নিৰ্ভৰশীল।'— উচ্চতৰ মাধ্যমিকৰ কলা শাখাত প্ৰথম স্থান লাভ কৰা নগাঁৱৰ ৰামানুজন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ছাত্ৰ সংকল্পজিৎ শইকীয়াই নিজৰ সফলতা সন্দৰ্ভত আজি এই মন্তব্য কৰে। তেওঁ কয়— 'প্ৰথম সপোন দেখিব লাগিব আৰু সেই সপোনক বাস্তৱত ৰূপ দিবলৈ কঠোৰ শ্ৰম আৰু অনুশীলন কৰিব লাগিব। একাগ্ৰতা, কঠোৰ শ্ৰম আৰু

১১ পৃষ্ঠাত চাওক

# বাণিজ্য

| স্থান | নাম | শিক্ষানুষ্ঠান/জিলা | প্ৰাপ্ত নম্বৰ |
|---|---|---|---|
| প্ৰথম | বৰ্ষা বোথ্ৰা | কে চি দাস কমাৰ্চ কলেজ, কামৰূপ (ম) | ৪৭২ |
| | সুকন্যা কুমাৰ | মালয়বাৰী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, কামৰূপ (ম) | ৪৭২ |
| দ্বিতীয় | জিলিক শীল | শংকৰদেৱ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, নগাঁও | ৪৭১ |
| তৃতীয় | জাহাংগীৰ আলম চৌধুৰী | পেৰামাউণ্ট ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, হাইলাকান্দি | ৪৬৮ |
| চতুৰ্থ | সূৰ্য জৈন | ছল্ট ব্ৰুক একাডেমী (ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল), ডিব্ৰুগড় | ৪৬৭ |
| পঞ্চম | কেশিকা জৈন | দ্ৰোণাচাৰ্য একাডেমী (ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল), বৰপেটা | ৪৬৬ |
| ষষ্ঠ | নন্দিতা দাস | চি কে বি কমাৰ্চ কলেজ, যোৰহাট | ৪৬৫ |
| সপ্তম | স্মৃতি ঠাকুৰ | ৰ মেনচ কলেজ, তিনিচুকীয়া | ৪৬৪ |
| অষ্টম | ঋষিতা শৰ্মা | ছল্ট ব্ৰুক একাডেমী (ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল), ডিব্ৰুগড় | ৪৬২ |
| | ইউনুছ আনছাৰী | মৰাণ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, ডিব্ৰুগড় | ৪৬২ |
| | ৰিফা অন্তৰা আহমেদ | প্ৰতিষ্ঠানিক প্ৰাইভেট | ৪৬২ |
| | কুণালজ্যোতি বৈশ্য | নলবাৰী কমাৰ্চ কলেজ, নলবাৰী | ৪৬২ |
| নৱম | উন্নীতা গোস্বামী | শ্ৰীমন্ত শংকৰ একাডেমী (ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল) কামৰূপ (ম) | ৪৬১ |
| দশম | দীপিকা আগৰৱালা | প্ৰতিষ্ঠানিক প্ৰাইভেট | ৪৬০ |

